অসমীয়া প্ৰতিদিন

# ছিয়াৰামছ্ এপেৰেলৰ খুচুৰা বিক্ৰেতা সন্মিলন




দেশৰ আগশাৰীৰ বস্ত্ৰ উৎপাদনকাৰী কোম্পানী ছিয়াৰাম ছিল্ক মিলছ্ লিমিটেডৰ বস্ত্ৰসম্ভাৰ (এপেৰেল) বিভাগে মুম্বাইত যোৱা ২ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ ৮দিনীয়া কাৰ্যসূচীৰে 'মভ'টেল ইমাজিকা' শীৰ্ষক খুচুৰা বিক্ৰেতাৰ সন্মিলন অনুষ্ঠিত কৰে। দেশৰ বিভিন্ন ঠাইত থকা চিয়াৰামছ্ পৰিয়ালৰ বিভিন্ন খুচুৰা বিক্ৰেতাসকলক উদগনি দিয়াৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১০০০ ডিলাৰ আৰু চেনেল পাৰ্টনাৰে এই সন্মিলনত প্ৰদৰ্শন কৰা ২০১৬ৰ অটোম-উইণ্টাৰ কালেকচনসমূহ প্ৰত্যক্ষ কৰে। ছিয়াৰাম প্ৰতিষ্ঠানৰ এই সন্মিলনত প্ৰতিষ্ঠানটোৰ অধ্যক্ষ ৰমেশ পোদ্দাৰ আৰু কাৰ্যবাহী সঞ্চালক গৌৰৱ পোদ্দাৰ প্ৰমুখ্যে কাৰ্যবাহীসকলে অংশগ্ৰহণ কৰি দেশৰ বিভিন্ন ঠাইৰ ডিলাৰ আৰু চেনেল পাৰ্টনাৰসমূহে প্ৰতিষ্ঠানটোৰ প্ৰতি যোগোৱা অৰিহণাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।